# 2025

# ASSAMESE

## ( Major )

Paper : ASS0500204

[ অসমীয়া গদ্য সাহিত্য (আৰম্ভণিৰ পৰা ২০০০ খ্ৰীষ্টাব্দলৈ) ]

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ লিখা : ১×৮=৮

(ক) 'অসমীয়া কথাসাহিত্য' গ্ৰন্থখনৰ লিখক কোন?

(খ) ৰুক্মিণীয়ে পত্ৰৰ মাজত 'শৃগাল' শব্দটোৰে কাক বুজাইছে?

(গ) সুবাহুৰ পুত্ৰৰ নাম কি আছিল?

(ঘ) 'গুৰু সেৱা মাহাত্ম্য' পাঠত থকা 'কোবিদ' শব্দৰ অৰ্থ লিখা।

(ঙ) 'ৰামৰ বন-গমন' পাঠটো 'কথা ৰামায়ণ'ৰ কোনটো কাণ্ডৰ অন্তৰ্গত?

(Turn Over)

(চ) 'সদানন্দৰ কলাঘুমটি' প্ৰবন্ধটো প্ৰথমতে কোনখন কাকতত প্ৰকাশ পাইছিল ?

(ছ) 'বুৰঞ্জী বিবেক ৰত্ন' গ্ৰন্থৰ ৰচক কোন ?

(জ) বিশ্বনাথ চক্ৰৱৰ্তীৰ প্ৰসিদ্ধ অলংকাৰ গ্ৰন্থখনৰ নাম কি ?

২। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ২×৬=১২

(ক) "আহে নাগিনি তোহাক বস্তয়ে নাণ্টল ঃ কোন ছাৰ কলসা ভাঙ্গল ঃ হামাৰ ঘৰে দধি দুগ্ধ লৱণু কে পুছত ঃ"—কথাষাৰ কোনে, কাক কৈছে ?

(খ) ত্ৰিপুৰা বুৰঞ্জীত উল্লেখ কৰা অনুসৰি ৰজাই মোট খেলিবলৈ কি নদীৰ পাৰলৈ গৈছিল আৰু তাৰ পৰা উভতি আহি ঘৰত কোন দেৱতাক উপাসনা কৰিছিল ?

(গ) "তোৰ আমি কিছু অপ্ৰিয় নতু কৰো। তথাপি গোবিন্দৰ কটাক্ষে ভিন্ন হৃদয়ত কেনে কাম জালস।" কথাষাৰ কোনে, কাক উদ্দেশ্যি কৈছে ?

(ঘ) "যদি বোলা ভকত হেন কেমনে জানিম, তেৱে তাৰ চিহ্ন শুনা"—পাঠত ভকতৰ চিন কি বুলি কোৱা হৈছে ?

(ঙ) 'শত্ৰুঞ্জয়' কাব্যখন কাৰ ৰচনা ? কাব্যখনৰ বিষয়বস্তুৰ মূল উৎস কি ?





(চ) "আততায়ীৰ বধে কিছু দোষ নাহি"—এই বাক্যফাঁকি কোনটো পাঠৰ অন্তৰ্গত আৰু কথাষাৰৰ বক্তা কোন ?

(ছ) চামধৰা গড়ৰ ফলি পোনপ্ৰথমে কোনে উদ্ধাৰ কৰি, কোনখন কাকতত প্ৰকাশ কৰিছিল ?

(জ) নগঞা বিদ্ৰোহী লোকসকলে ইংৰাজৰ বিৰুদ্ধে যুদ্ধ কৰোঁতে ব্যৱহাৰ কৰা দুবিধ অস্ত্ৰৰ নাম লিখা।

(ঝ) সদানন্দই ন মাহ কোনখন ইংৰাজী বাতৰি-কাকত আৰু চৌধ বছৰ কোনখন অসমীয়া বাতৰি-কাকত পঢ়িছিল ?

(ঞ) সঞ্চাৰী ভাব কি ? যি কোনো এটি সঞ্চাৰী ভাবৰ উদাহৰণ দিয়া।

৩। তলৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা : ৫×৪=২০

(ক) অংকীয়া নাটৰ গদ্য

(খ) গোপালচৰণ দ্বিজ

(গ) ত্ৰিপুৰা বুৰঞ্জীৰ গদ্যশৈলী

(ঘ) অসমীয়া গদ্য-সাহিত্যত 'কথা ৰামায়ণ'ৰ গুৰুত্ব

(ঙ) মন্ত্ৰ সাহিত্যৰ ভাষা

(চ) নিধিলিবাই ফাৰৱেল

(ছ) লম্বোদৰ বৰা

(জ) সাহিত্যৰ নৱৰস

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) ভট্টদেৱৰ গদ্যৰ বৈশিষ্ট্যসমূহ বিচাৰ কৰা।

(খ) 'ৰামৰ বন-গমন' পাঠৰ আধাৰত ৰাম আৰু লক্ষ্মণৰ চৰিত্ৰ দুটিৰ বিশ্লেষণ কৰা।

(গ) 'নগঞা দ্ৰোহী লোকৰ চৰিত্ৰ বৰ্ণন' পাঠৰ আধাৰত অৰুণোদয় যুগৰ গদ্যৰীতি সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

(ঘ) তোমাৰ পাঠত সত্ৰাধিকাৰৰ অভিষেক উৎসৱৰ বিৱৰণ কিদৰে দাঙি ধৰা হৈছে, বৰ্ণনা কৰা।

(ঙ) "ভগবান কৃষ্ণৰ প্ৰতি ভক্তৰ ৰতি পাঁচভাবে প্ৰকাশ পায়"—এই প্ৰকাৰসমূহৰ বিশদ বিৱৰণ দাঙি ধৰা।

★★★

# 2025

## ASSAMESE

( Major )

Paper : ASS0500404

( আধুনিক অসমীয়া গীতি-সাহিত্য )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। এটা শব্দ বা বাক্যত উত্তৰ লিখা : ১×৮=৮

(ক) অসমীয়া গীতি-সাহিত্যৰ প্ৰথম লিখিত নিদৰ্শন কি ?

(খ) প্ৰথম অসমীয়া গ্ৰামোফোন ৰেকৰ্ড কিমান চনত ওলায় ?

(গ) 'অ' মোৰ আপোনাৰ দেশ' গীতটো প্ৰথমে কোনখন আলোচনীত প্ৰকাশ হৈছিল ?

(ঘ) বিষ্ণুপ্ৰসাদ ৰাভাই কোনটো ৰাজনৈতিক মতবাদত বিশ্বাস কৰিছিল ?

(ঙ) 'বিলত তিৰেবিৰায় পদুমৰ পাহি ঐ' শীৰ্ষক গীতটো কমলানন্দ ভট্টাচাৰ্যৰ কোনখন নাটকত পোৱা যায় ?

(চ) পাৰ্বতিপ্ৰসাদ বৰুৱাই নিৰ্মাণ কৰা বোলছবিখনৰ নাম কি?

(ছ) 'সুগন্ধি পখিলা'ৰ কবি বুলি পৰিচিত গীতিকাৰগৰাকী কোন?

(জ) তফজ্জুল আলিয়ে ৰচনা কৰা প্ৰথম গীতটো কি?

২। তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো ছয়টাৰ চমুকৈ উত্তৰ লিখা : ২×৬=১২

(ক) গীতিকবিতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) অসমীয়া আধুনিক গীতৰ প্ৰথম গ্ৰন্থখনৰ নাম কি? গ্ৰন্থখন কিমান চনত প্ৰকাশ হৈছিল?

(গ) লক্ষ্মীৰাম বৰুৱাই ৰচনা কৰা দুখন গীতৰ পুথিৰ নাম উল্লেখ কৰা।

(ঘ) বিষ্ণুপ্ৰসাদ ৰাভাক 'কলাগুৰু' উপাধি কোনে, ক'ত দিছিল?

(ঙ) অসমীয়া সাহিত্য-জগতত 'বাউলী কবি' বুলি কাক জনা যায়? তেওঁৰ এখন গীতৰ পুথিৰ নাম লিখা।

(চ) পাৰ্বতিপ্ৰসাদ বৰুৱাৰ জন্ম শিৱসাগৰ জিলাৰ কোন ঠাইত আৰু কিমান চনত হৈছিল?

(ছ) ৰুদ্ৰ বৰুৱাই প্ৰথম ৰেডিঅ'ত গোৱা গীতটি কি আছিল আৰু কিমান চনত গাইছিল?

(জ) নিৰ্মলপ্ৰভা বৰদলৈয়ে অসমীয়া চলচ্চিত্ৰৰ বাবে ৰচনা কৰা দুটি গীতৰ শীৰ্ষ শাৰী উল্লেখ কৰা।





(ঝ) হীৰেন ভট্টাচাৰ্যক কোনখন গ্ৰন্থৰ বাবে, কোন চনত 'সাহিত্য অকাদেমি বঁটা' দিয়া হৈছিল?

(ঞ) তফজ্জুল আলিয়ে সংগীত পৰিচালনা কৰা দুখন অসমীয়া চলচ্চিত্ৰৰ নাম লিখা।

৩। তলত দিয়াবোৰৰ যি কোনো **চাৰিটাৰ** চমু টোকা লিখা : ৫×৪=২০

(ক) গীত আৰু গীতিকবিতা

(খ) আধুনিক অসমীয়া গীতৰ প্ৰচাৰ আৰু প্ৰসাৰত অনাতাঁৰ কেন্দ্ৰৰ ভূমিকা

(গ) লক্ষ্মীনাথ বেজবৰুৱাৰ গীত আৰু জাতীয় চেতনা

(ঘ) আধুনিক অসমীয়া সংগীতলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান

(ঙ) অসমীয়া বনগীত আৰু আনন্দিৰাম দাস

(চ) 'হএঞৰা জেতুকী বাই' গীতটোৰ অন্তৰ্নিহিত তাৎপৰ্য

(ছ) ভূপেন হাজৰিকাৰ গীত আৰু অসমৰ প্ৰাকৃতিক সৌন্দৰ্য

(জ) হীৰেন ভট্টাচাৰ্যৰ গীতত 'প্ৰেম' আৰু 'ৰ'দালি'ৰ চিত্ৰ

৪। তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো দুটাৰ উত্তৰ লিখা : ১০×২=২০

(ক) গীতি-সাহিত্যৰ স্বৰূপ নিৰ্ণয় কৰি এটি প্ৰবন্ধ প্ৰস্তুত কৰা।

(খ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতৰ ভাষা সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(গ) পাৰ্বতিপ্ৰসাদ বৰুৱাৰ 'আজি ফাগুনৰ পুৱা বেলাতে' শীৰ্ষক গীতটিৰ মাজেৰে অসমৰ প্ৰকৃতি-জগতৰ কোনবোৰ দিশ প্ৰকাশ পাইছে, আলোচনা কৰা।

(ঘ) ভূপেন হাজৰিকাৰ 'বিস্তীৰ্ণ পাৰৰে অসংখ্য জনৰে' গীতটোৰ মাজেৰে মানৱতাবাদৰ ধ্বনি কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(ঙ) নিৰ্মলপ্ৰভা বৰদলৈৰ 'সোণৰ খাৰু নেলাগে মোক' গীতটোৰ মাজেৰে নাৰীমনৰ প্ৰকাশ কেনেদৰে পাইছে, আলোচনা কৰা।

★★★

**2025**

ASSAMESE

( Major )

Paper : ASS0500304

( প্ৰাচীন ভাৰতীয় আৰু মধ্য-ভাৰতীয় আৰ্যভাষাৰ ৰূপৰেখা )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) ভাৰতীয় আৰ্যসকলৰ সৰ্বপ্ৰাচীন গ্ৰন্থখনৰ নাম কি?

(খ) ‘পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য’ গ্ৰন্থখনৰ ৰচক কোন?

(গ) পাণিনি ৰচিত ‘অষ্টাধ্যায়ী’ নামেৰে পৰিচিত ব্যাকৰণখনৰ প্ৰকৃত নাম কি?

(ঘ) অশোকৰ গিৰ্‌নাৰ অনুশাসনত প্ৰাকৃতৰ কোনটো উপভাষাৰ (আঞ্চলিক প্ৰাকৃত) ৰূপ ৰক্ষিত হৈছে?

( Turn Over )

(ঙ) 'ধম্মপদ' মুঠ কিমানটা বগ্‌গৰ (বৰ্গৰ) সমষ্টি ?

(চ) সংস্কৃত ভাষাৰ স্বৰ আৰু ব্যঞ্জনধ্বনিৰ মূল উৎস কি ?

(ছ) সংস্কৃতৰ 'ঋ' ধ্বনি প্ৰাকৃতত 'অ' ধ্বনিলৈ পৰিৱৰ্তন হোৱাৰ এটা উদাহৰণ দিয়া।

(জ) পৰৱৰ্তী অক্ষৰত থকা উচ্চ স্বৰধ্বনিৰ প্ৰভাৱত পূৰ্বৱৰ্তী অক্ষৰৰ নিম্ন স্বৰধ্বনি উচ্চ স্বৰধ্বনিলৈ পৰিৱৰ্তন হোৱা প্ৰক্ৰিয়াক কি বোলা হয় ?

২। চমু উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ কোনটো শাখাৰ লোকে নিজকে 'আৰ্য' বুলি গৌৰৱ কৰিছিল ? এই 'আৰ্য' শব্দৰ অৰ্থ কি ?

(খ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত দুটা ভাষাৰ নাম লিখা।

(গ) ভৌগোলিক বিস্তৃতিৰ ফালৰ পৰা অপভ্ৰংশ বা অৱহট্‌ঠ ভাষাক কি দুটা বহল ভাগত ভগাব পাৰি ?

(ঘ) 'ধম্মপদ' কোনখন পিটকৰ, কোন নিকায়ৰ অন্তৰ্গত গ্ৰন্থ ?

(ঙ) 'গাহাসত্তসঈ'ৰ সংকলক কোন ? গ্ৰন্থখন কোনটো সাহিত্যিক প্ৰাকৃতত ৰচিত ?

(চ) অপভ্ৰংশ ভাষাত ৰচিত দুখন গ্ৰন্থৰ নাম লিখা।

(ছ) সংস্কৃত ব্যাকৰণত 'অযোগৱাহ' বৰ্ণ হিচাপে কোন দুটা বৰ্ণক অভিহিত কৰা হয় ?





(জ) সংস্কৃতৰ কোন দুই প্ৰকাৰ ব্যঞ্জনধ্বনিৰ উচ্চাৰণৰ পাৰ্থক্য লুপ্ত হৈ অসমীয়াত দন্তমূলীয় ধ্বনি হিচাপে উচ্চাৰণ হয় ?

(ঝ) কোনো শব্দত ওচৰা-উচৰিকৈ থকা একেধৰণৰ অক্ষৰৰ এটা লোপ হোৱাক কি বুলি কোৱা হয় ? এটা উদাহৰণ দিয়া।

(ঞ) সংস্কৃত 'মৃত্তিকা' শব্দৰ ৰূপ প্ৰাকৃত আৰু অসমীয়া ভাষাত কি হিচাপে পোৱা যায়, উল্লেখ কৰা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) বৈদিক আৰু সংস্কৃত ভাষাৰ ধ্বনিতাত্ত্বিক পাৰ্থক্য

(খ) মগধীয় ভাষাগুচ্ছ

(গ) প্ৰাকৃতত ৰচিত গীতি-কাব্য

(ঘ) সংস্কৃতৰ দ্বি-স্বৰৰ পালি-প্ৰাকৃতত হোৱা পৰিৱৰ্তন

(ঙ) পালি-প্ৰাকৃত ভাষাত অপিনিহিতি

(চ) 'সংনেহ ৰাসউ' কাব্যৰ ভাষাগত বৈশিষ্ট্য

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×২=২০

(ক) ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ স্তৰসমূহ কাল অনুযায়ী দেখুৱাই যি কোনো এটা স্তৰৰ ভাষাগত বৈশিষ্ট্য আলোচনা কৰা।

(খ) 'পালি' নামৰ তাৎপৰ্য ব্যাখ্যা কৰি পালি সাহিত্যৰ চমু পৰিচয় দাঙি ধৰা।

(গ) শতক কাব্য কি? 'নীতি শতক' কাব্যৰ ৰচক, ৰচনাৰ সময় আৰু বিষয়বস্তু সম্পৰ্কে আলোচনা কৰা।

(ঘ) সংস্কৃত ভাষাৰ ব্যঞ্জনধ্বনিৰ সৈতে পালি-প্ৰাকৃত ভাষাৰ ব্যঞ্জনধ্বনিৰ এক তুলনামূলক আলোচনা যুগুত কৰা।

(ঙ) ধ্বনিগত পৰিৱৰ্তন বুলিলে কি বুজা? সংস্কৃতৰ পৰা বিকাশ হৈ পালি-প্ৰাকৃতৰ উদ্ভৱ হওঁতে কেনেধৰণৰ উচ্চাৰণমূলক পৰিৱৰ্তন হৈছিল, চমুকৈ লিখা।

★★★

**3 (Sem – 5/CBCS) ASM RG 1**

**2025**

# ASSAMESE

( Regular Generic )

Paper : ASM–RG–5016

*( শংকৰদেৱ )*

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। অতি চমুকৈ উত্তৰ লিখা ঃ ১×১০=১০

(ক) হৰিশ্চন্দ্ৰ ৰজাৰ পত্নীৰ নাম লিখা।

(খ) 'কীৰ্ত্তনঘোষা'ত কেইটা অধ্যায় বা খণ্ড আছে?

(গ) সাৰংগ পাণি কোন?

(ঘ) ইন্দ্ৰৰ পত্নীৰ নাম কি?

(ঙ) 'হৰিশ্চন্দ্ৰ উপাখ্যান' গ্ৰন্থখনৰ মূল সংগ্ৰহ কৰা গ্ৰন্থ এখনৰ নাম লিখা।

(চ) বৰগীতত থকা *এটি* তালৰ নাম লিখা।

(ছ) 'নাৰায়ণ কাহে ভকতি'—বৰগীতটি কি ৰাগত ৰচিত?

(জ) 'কীৰ্ত্তনঘোষা'ৰ ওৰেষা বৰ্ণনৰ 'ওৰেষা' শব্দটোৱে বৰ্তমানৰ কোনখন ৰাজ্য নিৰ্দেশ কৰা হৈছে?

(ঝ) শংকৰদেৱে ৰচনা কৰা একমাত্ৰ সংস্কৃত গ্ৰন্থখনৰ নাম কি?

(ঞ) শংকৰদেৱৰ বিৰচিত প্ৰথম বৰগীতটিৰ প্ৰথম শাৰীটো লিখা।

২। চমুকৈ উত্তৰ লিখা ঃ ২×৫=১০

(ক) সুৱৰ্ণ ৰজত লোহা জ্বলে তিনি শৃংগ।
চক্ষু চমক লাগে দেখিতে বিৰিংগ।।

এই তিনি শৃংগ কি পৰ্বতত আছে? পৰ্বতটো কোনখন সাগৰৰ মাজত অৱস্থিত?

(খ) শিশুলীলাত উল্লেখ থকা মতে কোন ঋষিয়ে কৃষ্ণৰ জাত কৰ্ম কৰিছিল আৰু তেওঁক নন্দৰ গৃহলৈ কোনে পঠিয়াইছিল?

(গ) ইন্দ্ৰৰ দুখৰ কথা আৰু নৰকাসুৰৰ উপদ্ৰৱৰ কথা শুনি কৃষ্ণই ইন্দ্ৰক কেনেদৰে সান্ত্বনা দিছিল?

(ঘ) থাক থাক কৈক যাইবি ৰাজা অহংকাৰী।
আৰ মান সাধো বুলি মোচৰন্ত ডাৰি।।

ইয়াত কোনে, কোন ৰজাৰ বিষয়ে কৈছে?

(ঙ) শংকৰদেৱে ৰচনা কৰা *দুখন* নাম প্ৰসংগৰ পুথিৰ নাম লিখা।



৩। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা ঃ ৫×৪=২০

(ক) 'পাৰিজাত হৰণ' নাটত সত্যভামাই কৃষ্ণৰ ওপৰত কিয় আৰু কেনেদৰে অভিমান কৰিছে, লিখা।

*অথবা*

"হে কৃষ্ণ, ওহি পাৰিজাতক গন্ধ তিনি প্ৰহৰেক যাইঃ।" —বুলি নাৰদে কেনেদৰে পাৰিজাত ফুলৰ বিৱৰণ দিছে, লিখা।

(খ) 'সাৰংগ পাণি'—বৰগীতটিত প্ৰকাশ পোৱা আধ্যাত্মিক ভাৱ সম্পৰ্কে লিখা।

*অথবা*

'সাৰংগ পাণি'—বৰগীতটিৰ সাহিত্যিক সৌন্দৰ্য বিচাৰ কৰা।

(গ) 'নাৰায়ণ কাহে ভকতি'—বৰগীতটোৰ মূল কথাখিনি লিখা।

*অথবা*

'নাৰায়ণ কাহে ভকতি'—বৰগীতটোত প্ৰকাশ পোৱা নাৰায়ণৰ ৰূপ-গুণৰ বিৱৰণ দিয়া।

(ঘ) শংকৰদেৱৰ সাহিত্য সৃষ্টিৰ মুখ্য উদ্দেশ্যটোৰ বিষয়ে লিখা।

*অথবা*

শংকৰদেৱে ৰচনা কৰা ভটিমাৰ বিষয়ে *এটি* টোকা লিখা।

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা ঃ ১০×৪=৪০

(ক) ‘পাৰিজাত হৰণ’ নাটৰ উদাহৰণেৰে অংকীয়া নাটৰ বিশেষত্বসমূহৰ বিষয়ে লিখা।

*অথবা*

‘পাৰিজাত হৰণ’ নাটৰ কাহিনীৰ বিকাশত নাৰদ চৰিত্ৰটোৰ ভূমিকাৰ বিষয়ে আলোচনা কৰা।

(খ) ৰাজসূয় যজ্ঞত ৰজা হৰিশ্চন্দ্ৰই কাক, কেনেদৰে দক্ষিণা দান কৰিছিল, লিখা।

*অথবা*

হৰিশ্চন্দ্ৰ নৃপতিয়ে আন দেৱতাৰ পৰিৱৰ্তে হৰি পূজাৰ সপক্ষে আগবঢ়োৱা যুক্তিসমূহ ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ৰ অন্তৰ্ভুক্ত ‘হৰি পূজা’ৰ আধাৰত লিখা।

(গ) ‘শিশুলীলা’ৰ আধাৰত কৃষ্ণৰ শিশু লীলাৰ বৰ্ণনা কৰা।

*অথবা*

‘গজেন্দ্ৰ’ উপাখ্যানৰ কাহিনীটো বৰ্ণনা কৰা।

(ঘ) শংকৰদেৱৰ সাহিত্য ৰচনাৰ সামাজিক পটভূমিৰ বিষয়ে লিখা।

*অথবা*

শংকৰদেৱৰ ৰচনাত ভাগৱতৰ প্ৰভাৱ সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

---

# 2025

## ASSAMESE

( Minor )

Paper : ASS0500604

( আধুনিক অসমীয়া গীতি-সাহিত্য )

( Set—A )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। তলত দিয়া প্ৰশ্নবোৰৰ অতি চমু উত্তৰ লিখা : ১×৮=৮

(ক) আনন্দিৰাম দাসৰ গীতবোৰক সাধাৰণতে কি গীত বুলি কোৱা হয়?

(খ) 'বিলত তিৰেবিৰায়' গীতটিৰ গীতিকাৰজনৰ নাম কি?

(গ) 'বহুদিন বকুলৰ গোন্ধ পোৱা নাই' গীতটি প্ৰথমতে কাৰ কণ্ঠত বাণীৱদ্ধ কৰা হৈছিল?

(ঘ) ভূপেন হাজৰিকাৰ এখন গীতৰ পুথিৰ নাম লিখা।

(ঙ) আধুনিক অসমীয়া ভাষাত প্ৰথম গীতৰ পুথিখন কোনে লিখিছিল?

(চ) বনগীতৰ স্ৰষ্টা কোন?

(ছ) 'শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল' পুথিখনৰ লেখকৰ নাম লিখা।

(জ) 'সোণৰ খাৰু নেলাগে মোক' গীতটিত সোণৰ খাৰুৰ বিপৰীতে কি বিচাৰিছে?

২। তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো ছয়টাৰ চমুকৈ উত্তৰ লিখা : ২×৬=১২

(ক) গীতি-সাহিত্য কাক বোলে, লিখা।

(খ) গীতৰ শব্দচয়নত থাকিবলগীয়া দুটা গুণ উল্লেখ কৰা।

(গ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতৰ দুটি বৈশিষ্ট্য লিখা।

(ঘ) 'লুইতৰ পাৰৰে আমি ডেকা ল'ৰা' গীতটিৰ বাদে জ্যোতিপ্ৰসাদ আগৰৱালাৰ আন দুটি দেশপ্ৰেমমূলক গীতৰ প্ৰত্যেকটোৰে প্ৰথম শাৰীটো লিখা।

(ঙ) নিৰ্মলপ্ৰভা বৰদলৈয়ে লিখা দুখন গীতৰ পুথিৰ নাম লিখা।

(চ) 'বিৰহী' নামৰ গীতৰ পুথিখন কোনে ৰচনা কৰিছিল? এইখন কোন চনত প্ৰকাশ পাইছিল?

(ছ) তফজ্জুল আলিৰ দুখন গীতৰ পুথিৰ নাম লিখা।

(জ) হীৰেণ ভট্টাচাৰ্যৰ 'আমোলমোল শেৱালিৰ গোন্ধ' গীতটিৰ কেন্দ্ৰীয় ভাব কি? ইয়াত কি ঋতুৰ কথা ফুটি উঠিছে?





(ঝ) ভূপেন হাজৰিকাৰ কিমান চনত জন্ম হৈছিল? তেওঁ কোনখন চলচ্চিত্ৰৰ সংগীত পৰিচালনাৰ বাবে শ্ৰেষ্ঠ সংগীত পৰিচালকৰ ৰাষ্ট্ৰীয় বঁটা পাইছিল?

(ঞ) আধুনিক অসমীয়া সংগীতৰ বিষয়ে বহল আলোচনা থকা এখন গ্ৰন্থ আৰু সেইখনৰ লেখকজনৰ নাম লিখা।

৩। তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ চমুকৈ আলোচনা কৰা : ৫×৪=২০

(ক) গীতৰ ভাষাৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

(খ) গীত আৰু কবিতাৰ মিল-অমিল দেখুৱাই এটি টোকা লিখা।

(গ) 'আজি ফাগুনৰ পুৱা বেলাতে' গীতটিত প্ৰকাশ পোৱা প্ৰকৃতিৰ চিত্ৰখনৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(ঘ) গীতিকাৰ আনন্দিৰাম দাসৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

(ঙ) 'মোৰ কবিতাৰ ছন্দ লাগি' গীতটিৰ কাব্যিক সৌন্দৰ্য বিশ্লেষণ কৰি এটা টোকা লিখা।

(চ) 'সোণৰ খাৰু নেলাগে মোক' গীতটিত প্ৰকাশ পোৱা গাভৰুগৰাকীৰ বিবাহ-সম্পৰ্কীয় চিন্তাৰ বিষয়ে এটি টোকা লিখা।

(ছ) 'হুঞেৰা জেতুকীবাই' গীতৰ জেতুকীবাই চৰিত্ৰটোৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(জ) কমলানন্দ ভট্টাচাৰ্যৰ গীতৰ বিষয়ে এটি টোকা লিখা।

৪। তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো দুটাৰ বহলাই আলোচনা কৰা : ১০×২=২০

(ক) গীতি-সাহিত্যৰ লক্ষণ, গুণ, স্বৰূপ, ভাষা আৰু প্ৰকাশভংগীৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ পৰা তফজ্জুল আলিৰ সময়লৈকে অসমীয়া গীতি-সাহিত্যৰ এটি ৰূপৰেখা প্ৰস্তুত কৰা।

(গ) তোমাৰ পাঠ্যক্ৰমৰ ফুলক লৈ লিখা গীত তিনিটাৰ এটা তুলনামূলক বিশ্লেষণ আগবঢ়োৱা।

(ঘ) নাৰীৰ জীৱন তোমাৰ পাঠ্য গীতসমূহত কেনেদৰে চিত্ৰিত হৈছে, আলোচনা কৰা।

(ঙ) অসমীয়া গীতি-সাহিত্যত দেশপ্ৰেমৰ চিত্ৰ কেনেদৰে অংকন কৰা হৈছে, তোমাৰ পাঠ্য গীতৰ আধাৰত আলোচনা কৰা।

★★★

# 2025

## ASSAMESE

## ( Minor )

Paper : ASS0500504

( অসমীয়া নাটক )

( Set–A )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৮=৮

(ক) 'গীদাল' বা 'গীতাল' চৰিত্ৰটো কোন লোক-নাট্যানুষ্ঠানত দেখা যায়?

(খ) 'ধৰ্মোদয়' নাটখন কোন ভাষাত ৰচিত?

(গ) শংকৰদেৱে শেষ বয়সত ৰচনা কৰা নাটখনৰ নাম কি?

(ঘ) 'কানিয়াৰ কীৰ্ত্তন' নামৰ নাটকখনৰ ৰচক কোন?

(ঙ) গুণাভিৰাম বৰুৱাৰ 'ৰাম-নৱমী' নাটখন পোনতে কোনখন আলোচনীত চোৰা চোৰাকৈ প্ৰকাশ পাইছিল?

(চ) জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা প্ৰথম নাটখনৰ নাম কি?

(ছ) পাৰিজাত ফুল কোন দেৱতাৰ উদ্যানত আছিল ?

(জ) 'হনুমান সাগৰ বান্ধা চাঁউ' নাটখনৰ উপস্থাপনৰ শৈলী কি ?

২। চমুকৈ উত্তৰ লিখা (যি কোনো ছয়টা) : ২×৬=১২

(ক) অসমৰ দুটা প্ৰাচীন লোক-নাট্যানুষ্ঠানৰ নাম লিখা।

(খ) অসমৰ ভ্ৰাম্যমাণ নাটকৰ জন্মদাতা বুলি কাক কোৱা হয় ? তেওঁ অসমৰ কোন অঞ্চলৰ ব্যক্তি ?

(গ) 'জন্মযাত্ৰা' নাটৰ দুটি চৰিত্ৰৰ নাম লিখা।

(ঘ) অংকীয়া নাটত ব্যৱহাৰ হোৱা দুটা ভটিমাৰ নাম উল্লেখ কৰা।

(ঙ) দেৱৰাজ ইন্দ্ৰৰ মাতৃ আৰু পত্নীৰ নাম কি ?

(চ) মাধৱদেৱে ৰচনা কৰা দুখন ঝুমুৰাৰ নাম লিখা।

(ছ) গোপাল আতাৰ জন্ম কোন চনত হৈছিল আৰু তেওঁ প্ৰৱৰ্তন কৰা নৱ-বৈষ্ণৱ ধৰ্মৰ শাখাটোৰ নাম কি ?

(জ) 'ৰাম-নৱমী' নাটৰ নায়িকা নৱমীৰ সখীয়েক দুগৰাকীৰ নাম কি আছিল ?

(ঝ) অৰুণ শৰ্মাই ৰচনা কৰা দুখন অনাতাঁৰ নাটৰ নাম লিখা।

(ঞ) প্ৰমোদ দাসৰ 'হনুমান সাগৰ বান্ধা চাঁউ' নাটখনৰ মাজেৰে প্ৰকাশ পোৱা মূল ভাবনা দুটা কি কি ?



(Continued)



৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) বাটৰ নাট

(খ) ওজাপালি অনুষ্ঠান

(গ) অংকীয়া নাটৰ সূত্ৰধাৰ

(ঘ) অগ্নিগড়

(ঙ) 'ৰাম-নৱমী' নাটৰ ভাষা

(চ) সুন্দৰ কোঁৱৰ

(ছ) অসমীয়া অনাতাঁৰ নাট

(জ) 'হনুমান সাগৰ বান্ধা চাঁউ' নাটৰ কলা-কৌশল

৪। তলৰ যি কোন দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) অসমৰ প্ৰাচীন লোক-নাট্যানুষ্ঠানসমূহৰ বিষয়ে এটি বিশ্লেষণধৰ্মী আলোচনা আগবঢ়োৱা।

(খ) অংকীয়া নাট আৰু সংস্কৃত নাটৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্য বিচাৰ কৰা।

(গ) প্ৰথম অসমীয়া সামাজিক নাটক হিচাপে 'ৰাম-নৱমী' নাটৰ ঐতিহাসিক গুৰুত্ব পৰ্যালোচনা কৰা।

(ঘ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ "'কাৰেঙৰ লিগিৰী' এক যুগান্তকাৰী সৃষ্টি"—এই উক্তিৰ আলমত নাটকখনৰ সন্দৰ্ভত এক প্ৰশংসামূলক নিবন্ধ যুগুত কৰা।

(ঙ) অৰুণ শৰ্মাৰ 'আহাৰ' নাটখনিত এবছাৰ্ড নাটকৰ কি কি লক্ষণ প্ৰকাশ পাইছে, বহলাই আলোচনা কৰা।

***